# 2023

# FYUGP

## SEMESTER-1

## ASSAMESE

Paper : SEC (অসমীয়া আখৰ জোঁটনি)

**Paper Code : SEC0100703**

*Full Marks: 45*
*Time : 2 hours*

***The figures in the margin indicate full marks for the questions***

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা ঃ ১×৫ = ৫

(ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি বা স্বৰবৰ্ণ কেইটা?

(খ) অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্ধন্য ধ্বনি আছেনে?

(গ) প্ৰাতিপদিকৰ পাছত যোগ হোৱা প্ৰত্যয়ক কি প্ৰত্যয় বোলা হয়?

(ঘ) অসমীয়া ভাষাত পঞ্চমী বিভক্তি আছেনে?

(ঙ) অসমীয়া ভাষাত বিস্ময় প্ৰকাশ কৰিবলৈ কোনটো যতি চিন ব্যৱহাৰ কৰা হয়?

২। চমুকৈ উত্তৰ লিখা (যিকোনো পাঁচটা) ঃ ২×৫ = ১০

(ক) ধ্বনি কাক বোলে আৰু ই কেইপ্ৰকাৰৰ?

*Contd.*

(খ) ঘোষ আৰু অঘোষ ধ্বনিৰ মাজত পাৰ্থক্য কি, বুজাই লিখা।

(গ) অল্পপ্ৰাণ আৰু মহাপ্ৰাণ ধ্বনি বুলিলে কি বুজা?

(ঘ) অসমীয়া ভাষাত শ্ৰুতিধ্বনি কেইটা আৰু কি কি?

(ঙ) নাসিক্য আৰু অনুনাসিকতা একেনে? বুজাই লিখা।

(চ) 'শত্ৰুঘ্ন' শব্দটোৰ যুক্তাক্ষৰ ভাঙি দেখুৱা।

(ছ) অসমীয়া ভাষাৰ যিকোনো দুটা স্বাৰ্থিক প্ৰত্যয়ৰ উদাহৰণ দিয়া।

(জ) অসমীয়া ভাষাত বিভক্তি কেইপ্ৰকাৰ আৰু কি কি?

(ঝ) অসমীয়া ভাষাত কি কি উপায়েৰে কাৰক সাধন কৰা হয়, লিখা।

(ঞ) তৎসম শব্দ কাক বোলে?

৩। তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪ = ২০

(ক) ওঁঠৰ আকৃতি আৰু জিভাৰ অংশ অনুসৰি অসমীয়া বিশিষ্ট স্বৰধ্বনিৰ এখন তালিকা যুগুত কৰা।

(খ) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ মাজত পাৰ্থক্য কি কি?

(গ) বিভক্তি আৰু প্ৰত্যয়ৰ মৌলিক পাৰ্থক্যসমূহ নিৰ্ণয় কৰা।

(ঘ) অনিৰ্দিষ্টতাবাচক প্ৰত্যয় কাক বোলে? উদাহৰণেৰে বুজাই লিখা।

(ঙ) 'কথা' আৰু 'কঁথা' শব্দ দুটাৰ অৰ্থ লিখি বাক্যত ইয়াৰ প্ৰয়োগ দেখুওৱা।

(চ) অসমীয়া ভাষাৰ স্ত্ৰী প্ৰত্যয় কেইটা আৰু কি কি? উদাহৰণসহ আলোচনা কৰা।

(ছ) অসমীয়া ভাষাৰ যুক্তাক্ষৰ সম্বন্ধে চমুকৈ আলোচনা কৰা।

(জ) স্থান অনুসৰি উপযুক্ত যতিচিহ্নৰ প্ৰয়োগ কৰা—

ব্ৰহ্মাক সৎ বুলিলে কি বুজায় ইয়াকে বুজায় যে তেওঁৰ সত্তাতেই জগতৰ



সত্তা তেওঁ আছে বুলিয়েই জগৎ আছে কিন্তু জগতৰ সত্তা ক্ষৰ বিকাৰশীল বিনাশশীল ব্ৰহ্ম অক্ষয় অজৰ অমৰ যাৰ সদায় ৰূপৰ ব্যভিচাৰ নহয় সিয়েই সত্য ব্ৰহ্ম সত্য সেইদেখি তেওঁৰ ক্ষয়-বৃদ্ধি নাই উৎপত্তি-বিনাশ নাই

৪। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×১ = ১০

(ক) উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিৰ এখন তালিকা যুগত কৰা আৰু বিশিষ্ট ব্যঞ্জনধ্বনিকেইটাক প্ৰতিনিধিত্ব কৰা আখৰবোৰ লিখা।

(খ) অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰৰ উল্লেখ কৰি সেইবোৰৰ ব্যৱহাৰ কিদৰে হয়, আলোচনা কৰা।

(গ) অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ (ঁ) প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাৰ যতিচিহ্নৰ বিষয়ে বহলাই আলোচনা কৰা।